৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

আহিন, ১৯৪৭ শক ■ বুধবাৰ, ১৫ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Wednesday, October 15, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


## শংকৰলাল আগৰৱালাৰ মৃত্যু



দক, খোৱাং, অক্টোবৰ ঃ জিলাৰ খোৱাং ৱাল বঙালী নিৱাসী তথা ঘাটৰ অতি বিশিষ্ট ব্যৱসায়ী লাল আগৰৱালা আজি পুৱাৰ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ সভৱনত মৃত্যু হয়। তেওঁ মৃত্যুৰ সময়ত এজন পুত্ৰ-বোৱাৰী, নাতি-নাতিনী, কী বিবাহিতা কন্যা আৰু জোঁৱাইৰ বহু আত্মীয়ক এৰি গৈছে। সহজ-মনৰ অধিকাৰী ব্যৱসায়ীজনৰ স্মিক মৃত্যুত খোৱাং অঞ্চলত শোকৰ ছাঁ পৰে।

## কানৈ মহাবিদ্যালয়ৰ তিনিগৰাকী শিক্ষাৰ্থীক জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদান

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ সাম্প্ৰতিক সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত উপস্থিত থকিবলৈ আগ্ৰহ নকৰা হৈছে। তেনে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠালৈ আকৰ্ষণ বৃদ্ধি কৰিবলৈ আৰু অভিভাৱকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এক ব্যতিক্ৰমী বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই। ছাত্ৰ একতা সভাৰ সভাপতি আত্ৰেয় চেতিয়া, সাধাৰণ সম্পাদক বেদব্যাস বড়িয়ে এক প্ৰেছ বিবৃতিত জনোৱা মতে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)-ৰ নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে এক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু সেইমৰ্মে মহাবিদ্যালয়ৰ পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰিয়া মেছ (প্ৰথম সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভ গগৈ (তৃতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰা হৈছিল। আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড০ পি কে বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইউ জি চিৰ মালবিয়া মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক ড০ তাবাছুম ৰিজভি আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ নৱজিত মেধিয়ে শিক্ষাৰ্থীকেইজনক উক্ত বঁটাকেইটি প্ৰদান কৰে। বঁটা প্ৰদান কৰি আটাইকেইগৰাকীয়ে এনেধৰণৰ ব্যতিক্ৰমী বঁটা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বঁটা প্ৰাপক শিক্ষাৰ্থীকেইজনক আশীৰ্বাদ প্ৰদান কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ নৱজিত মেধিয়ে কয়— বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ প্ৰতি যি অনীহা দেখা পোৱা গৈছে সেই মুহূৰ্তত শ্ৰেণীকোঠাত সৰ্বাধিক উপস্থিত থাকি বঁটা লাভ কৰাতোৱে সমাজলৈ এক নতুন বাৰ্তা কঢ়িয়াই আনিব। বঁটা প্ৰদান কৰি ড০ ৰিজভিয়ে কয়— শ্ৰেণীকোঠাত মই সৰ্বাধিক উপস্থিত থাকিও এনেধৰণৰ কোনো বঁটা লাভ নকৰিলোঁ। আজি এনে এটি বঁটা নিজ হাতে প্ৰদান কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। ছাত্ৰ একতা সভাৰ এনে ইতিবাচক পদক্ষেপক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শলাগ জনায়।

## ত অগপৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

জ্যোতি বৰুৱা আৰু তদুপৰি সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ